**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-Aug-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণে ৰাজ্যৰ শান্তি, উন্নতি আৰু শক্তিশালী আন্তঃগাঁথনি সৃষ্টিৰ যাত্ৰাক নতুন মাত্ৰা প্ৰদান কৰিলে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।
২। সখী এক্সপ্ৰেছ্ আঁচনিৰ অধীনত আজি ৯ হাজাৰ ৭০৪ গৰাকী মহিলাক স্কুটী প্ৰদান।
৩। সমাগত বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি।
৪। অহা ৩ ছেপ্তেম্বৰৰ কৰম পূজা দিনটোক চাহ শ্ৰমিকসকলৰ বাবে মজুৰিসহ বন্ধৰ দিন ঘোষণা। *আৰু*
৫। দেউকণ সোঁৱৰণী ল'ৰাৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতাত নুমলীগড় হাইস্কুলৰ খিতাপ অৰ্জন।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ দুদিনীয়া অসম ভ্ৰমণে ৰাজ্যৰ শান্তি, উন্নতি আৰু শক্তিশালী আন্তঃগাঁথনি সৃষ্টিৰ যাত্ৰাক নতুন মাত্ৰা প্ৰদান কৰিলে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কালি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখাকে ধৰি বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। শ্ৰী শ্বাহে কেইবাটাও অনুষ্ঠানত ভাগ লোৱাৰ উপৰি খানাপাৰাত নিৰ্মীয়মান জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ পৰিদৰ্শন কৰে।

অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবাৰ্ষিকী উদযাপন উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে প্ৰয়াত মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। শ্ৰী শ্বাহে তেওঁৰ ভাষণত গোলাপ বৰবৰাৰ কৰ্মময় জীৱন সন্দৰ্ভত আলোকপাত কৰে। দেশৰ জনগাঁথনিৰ ক্ষেত্ৰত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ সিদ্ধান্ত সন্দৰ্ভত শ্ৰী শ্বাহে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে জনগাঁথনিগত পৰিৱৰ্তন ৰোধ কৰাৰ বাবে মহা অভিযান আৰম্ভ কৰিবলৈ আগবাঢ়িছে। ইয়াৰ অধীনত এখন জনগাঁথনি আয়োগ গঠন কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

**(বাইট ঃ অমিত শ্বাহ)**

ইয়াৰ পূৰ্বে শ্ৰী শ্বাহে খানাপাৰাত প্ৰথম পঞ্চায়ত প্ৰতিনিধি সন্মিলনত ভাগ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উন্নয়নমূলক কামকাজৰ প্ৰবাহ অসমৰ প্ৰান্তে প্ৰান্তে বিয়পাই দিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ শলাগ লয়। তেওঁ এই উন্নয়নৰ ধাৰাবাহিকতা অটুট ৰখাৰ বাবে সকলো পঞ্চায়ত প্ৰতিনিধিকে নিষ্ঠাৰে জনকল্যাণ সাধনৰ প্ৰয়াস অব্যাহত ৰাখিবলৈ আহ্বান জনায়। শ্ৰী শ্বাহে এই সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰে। এই সন্মিলনতে মুখ্যমন্ত্ৰী ড° শৰ্মাই অহা ১ জানুৱাৰীৰ পৰা পঞ্চায়ত প্ৰতিনিধি তথা তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ চিকিৎসাৰ ব্যয় চৰকাৰে বহন কৰিব বুলি ঘোষণা কৰে। ড° শৰ্মাই ভৱিষ্যত প্ৰজন্মৰ বাবে এখন নিৰাপদ আৰু সমৃদ্ধিশালী ৰাজ্য নিৰ্মাণ কৰাত গুৰুত্ব আৰোপ কৰে।

**(বাইট ঃ ড° শৰ্মা)**

০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সখী এক্সপ্ৰেছ্ আঁচনিৰ অধীনত তৃণমূল পৰ্যায়ত কাম কৰা ৯ হাজাৰ ৭০৪ গৰাকী মহিলাক আজি স্কুটী প্ৰদান কৰা হ'ব। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান

মহাবিদ্যালয় খেলপথাৰত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস উপস্থিত থাকিব। এই মহিলাসকলক স্কুটী প্ৰদানৰ জৰিয়তে আত্মসহায়ক গোটৰ কামকাজসমূহ ত্বৰান্বিত কৰাৰ উপৰি তেওঁলোকৰ যাত্ৰাৰ ব্যয় হ্ৰাস তথা উপাৰ্জন বৃদ্ধিৰ জৰিয়তে সমৃদ্ধিশালী গাঁও নিৰ্মাণৰ পথ প্ৰশস্ত কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০

সমাগত বিটিচিৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। ৰাজনৈতিক দলসমূহে বিভিন্ন সমষ্টিৰ বাবে নিজ নিজ দলৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ সমান্তৰালকৈ প্ৰশাসনেও কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। তামুলপুৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া পংকজ চক্ৰৱৰ্তীয়ে সমাগত বিটিচিৰ নিৰ্বাচন উপলক্ষে পুস্তিকা, পোষ্টাৰ আদি মুদ্ৰণ সম্পৰ্কীয় কিছু বাধা নিষেধ ঘোষণা কৰিছে। মুদ্ৰক আৰু প্ৰকাশকৰ নাম-ঠিকনা আদি স্পষ্টকৈ উল্লেখ নথকা কোনো নিৰ্বাচনী পুস্তিকা বা পোষ্টাৰ মুকলি কৰিব নোৱাৰিব। এই সমূহ মুদ্ৰণ কৰিবলৈ প্ৰকাশৰ পৰিচয়ৰ ঘোষণা পত্ৰ মুদ্ৰকক জমা দিব লাগিব। মুদ্ৰণৰ পাছত নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘোষণা পত্ৰ আৰু মুদ্ৰিত নথিপত্ৰৰ প্ৰতিলিপি জিলা দণ্ডাধীশলৈ প্ৰেৰণ কৰিব লাগিব। এনেধৰণৰ কিছু গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰশাসনৰ তৰফৰ তামুলপুৰ জিলাৰ সকলো প্ৰিণ্টিং প্ৰেছৰ স্বত্বাধিকাৰলৈ প্ৰেৰণ কৰা হৈছে।

উল্লেখযোগ্য যে অসম ৰাজ্যিক নিৰ্বাচন আয়োগে বিটিচিৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে। এই সন্দৰ্ভত আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰে সবিশেষ জনাইছে। —

**ভইচ (দামোদৰ তালুকদাৰ)**

০০০০০০

চাহ জনগোষ্ঠীৰ লোকসকলে পালন কৰি অহা কৰম পূজা উপলক্ষে ৰাজ্য চৰকাৰে বন্ধ ঘোষণা কৰিছে। শ্ৰমিক কল্যাণ বিভাগে কালি এই সম্পৰ্কীয় অধিসূচনা জাৰি কৰে। এই অনুসৰি অহা ৩ ছেপ্তেম্বৰত চাহ শ্ৰমিক আৰু চাহ বাগিচাৰ কাৰখানাত কাম কৰা শ্ৰমিকসকলৰ বাবে প্ৰাপ্য মজুৰিসহ বন্ধৰ দিন ঘোষণা কৰা হৈছে। সেইদিনা শ্ৰমিকসকলে কৰম পূজাৰ বন্ধ পালন কৰিলেও মজুৰি লাভ কৰিব।

০০০০০০

অসম চৰকাৰৰ কৃষি বিভাগৰ উদ্যোগত আজি গুৱাহাটীৰ খানাপাৰাত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত কিছু সময়ৰ পাছতে **ৰবি কৰ্মশালা-২০২৫** অনুষ্ঠিত হ'ব। অনুষ্ঠানত কৃষি, উদ্যান শস্য ইত্যাদি বিভাগৰ মন্ত্ৰী অতুল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০০

ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি অহা ১৩ ছেপ্তেম্বৰত আয়োজন কৰা অনুষ্ঠানত অংশগ্ৰহণৰ বাবে শিলচৰত কালিৰেপৰা সমবেত সংগীতৰ আখৰাৰ আয়োজন কৰা হৈছে। কাছাৰ জিলাৰ পৰা নিৰ্বাচিত ২০ গৰাকী শিল্পীয়ে হিন্দী ভৱনত আয়োজিত জিলা পৰ্যায়ৰ আখৰাত অংশগ্ৰহণ কৰিছে। গুৱাহাটীৰ মূল প্ৰশিক্ষক আলেখ্য চক্ৰৱৰ্তীয়ে শিল্পীসকলক সমবেত সংগীতৰ আখৰা কৰায়। কাছাৰৰ অতিৰিক্ত জিলা আয়ুক্ত ফিলিছ হুংচালে এই সমবেত সংগীতেৰে বিশ্ববন্দিত শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব বুলি উল্লেখ কৰে। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা এখন নতুন সংগীতালেখ্য প্ৰচাৰ কৰিব। কেন্দ্ৰটোৰ অংশকালীন বাতৰি পৰিবেশক তথা সাংবাদিক উৎপল কুমাৰ দাসে ৰচনা কৰা এই গৱেষণাধৰ্মী আলেখ্যখনৰ নাম **অসমীয়া গীত-মাতত গাঁওখন**। আলেখ্যখনৰ বিৱৰণী কণ্ঠ উৎপল কুমাৰ দাস আৰু অৰুণিমা গোস্বামীৰ। কবিতাংশৰ আবৃত্তি উৎপল

কুমাৰ দাস আৰু ইন্দ্ৰজিৎ দাসৰ। আজি নিশা চাৰে ৯ বজাত আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাত প্ৰচাৰ হ'বলগীয়া এই আলেখ্যখনৰ প্ৰযোজনা ঋতুপৰ্ণা দাসৰ।

০০০০০০

নলবাৰী জিলাৰ ম'হখুলিত যোৱা নিশা হোৱা ডকাইতিৰ ঘটনাত এজন লোক নিহত হয়। ডকাইতৰ আক্ৰমণত নিহত লোকজন গাঁওখনৰ বাসিন্দা তথা অৱসৰপ্ৰাপ্ত কৰ্মচাৰী প্ৰমোদ বৰ্মন বুলি আমাৰ সংবাদদাতাই জনাইছে। বৰ্মনৰ পৰিয়ালটোৱে নিশাৰ আহাৰ গ্ৰহণ কৰাৰ সময়তে তিনিজনীয়া ডকাইতৰ দলটোৱে ঘৰৰ ভিতৰত প্ৰৱেশ কৰি লুটপাত চলোৱাৰ লগতে প্ৰমোদ বৰ্মনক ডিঙি চেপি হত্যা কৰে। এই ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰাৰ লগতে শোকৰ ছাঁ পেলাইছে। ঘটনা সন্দৰ্ভত আৰক্ষীৰ তদন্ত অব্যাহত আছে।

০০০০০০

গোলাঘাট জিলাৰ দেৰগাঁৱৰ দাধৰাৰ সমীপৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱানিশা সংঘটিত এটা পথ দুৰ্ঘটনাত ৰণ্টু ৰাজবংশী নামৰ এজন লোকৰ মৃত্যু হয়। নলবাৰীৰ পৰা তিনিচুকীয়া অভিমুখে তীব্ৰ বেগেৰে গৈ থকা বাহনখন নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিৰ দ খাৱৈত বাগৰি পৰাৰ ফলত চালক ৰণ্টু ৰাজবংশীৰ থিতাতে মৃত্যু হয়। দুৰ্ঘটনাটোত বাহনখনত থকা আন পাঁচজন লোক গুৰুতৰভাৱে আহত হয়। আহতসকলক নিকটৱৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

০০০০০০

দেউকণ সোঁৱৰণী ১৭ বছৰ অনুৰ্ধ ল'ৰাৰ আন্তঃজিলা ফুটবল প্ৰতিযোগিতাত নুমলীগড় হাইস্কুলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। ৰাজ্যিক জুনিয়ৰ প্ৰতিযোগিতাখনৰ কালি অনুষ্ঠিত ফাইনেলত নুমলীগড় হাইস্কুলে চৰাইদেউৰ বামপথাৰ বেঙেনাবাৰী হাইস্কুলক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত বেঙেনাবাৰী হাইস্কুলে খেলৰ ১৫ মিনিটতে প্ৰথমটো গ'ল দিয়ে। খেলখনৰ ৪০ মিনিটত নুমলীগড় হাইস্কুলৰ পাৰ্থ বৰুৱাই গ'ল দি সমতা স্থাপন কৰে। পাছত নুমলীগড়ৰ পৱিত্ৰ নাথে বিজয়সূচক গ'লটো দি চেম্পিয়নৰ খিতাপ অৰ্জন কৰে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত জয়ী হোৱাৰ সুবাদত নুমলীগড় হাইস্কুলে নতুন দিল্লীত হ'বলগীয়া ১৭ বছৰ অনুৰ্ধ সুব্ৰত কাপ ফুটবলৰ আন্তৰ্জাতিক প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰিব। অহা ১৬ ছেপ্তেম্বৰত এই জুনিয়ৰ প্ৰতিযোগিতাখন আৰম্ভ হ'ব।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে হাতত হেংদাং আৰু ভোৰতাল লৈ কালি খানাপাৰাৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ ৰণডংকা বজোৱা বাতৰিটোক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমীয়া প্ৰতিদিন কাকতে এই বাতৰিটো **২০২৬ত বিজেপিক কোনেও ৰুধিব নোৱাৰে** শীৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। আন আন কাকতসমূহে কালি খানাপাৰাত অনুষ্ঠিত পঞ্চায়ত সন্মিলন আৰু অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্মশতবৰ্ষ উদযাপনৰ বাতৰিটো ভিন ভিন শিৰোনামেৰে বিস্তৃতভাৱে প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা কাকতৰ শিৰোনাম **বৰবৰা মুখ্যমন্ত্ৰী হোৱাটোৱেই অসমৰ ৰাজনৈতিক ইতিহাসৰ বৃহৎ পৰিৱৰ্তন আৰম্ভণি**।

টকিঅ'ত অনুষ্ঠিত পঞ্চদশ ভাৰত-জাপান বাৰ্ষিক সন্মিলনত চন্দ্ৰযান-৫ অভিযানৰ বাবে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা আৰু জাপান মহাকাশ অন্বেষণ সংস্থাৰ মাজত চুক্তি স্বাক্ষৰ হোৱা বাতৰিটোক দৈনিক অসম, দি আছাম ট্ৰিবিউন, দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বাংলাদেশে ভাৰত সীমান্ত সংলগ্ন তিনিটা স্থল বন্দৰ সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়াৰ এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

অসমৰ প্ৰতিজন পঞ্চায়ত প্ৰতিনিধি আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যই অহা বছৰৰ পহিলা জানুৱাৰীৰ পৰা সম্পূৰ্ণ বিনামূলীয়া চিকিৎসা লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ঘোষণা কৰাৰ বাতৰিটো আমাৰ অসম কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দেশৰ শিক্ষা মন্ত্ৰালয়ৰ প্ৰকাশিত তথ্য অনুসৰি দেশত শিক্ষকৰ সংখ্যা ২০২২-২৩ বৰ্ষৰ তুলনাত ২০২৪-২৫ বৰ্ষত ৬ দশমিক ৭ শতাংশ বৃদ্ধি পাইছে। এই বাতৰিটো দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ সাধাৰণতে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৫ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত